# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 01-11-2025

**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

0000000

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সংক্ৰান্তত বিশেষ অনুসন্ধানকাৰী গোটৰ তদন্ত সঠিক দিশত আশানুৰূপভাৱে আগবাঢ়িছে আৰু অহা ১৭ ডিচেম্বৰৰ ভিতৰত এছ আই টিয়ে অভিযোগনামা দাখিল কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। গুৱাহাটীত কালি সন্ধিয়া এটা অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীয়ে কয়, যে জুবিন গাৰ্গক ন্যায় দিবলৈ সমৰ্থ হ'ব বুলি এছ আই টিৰ আত্মবিশ্বাস আছে। তেওঁ লগতে ৰাজ্য চৰকাৰে ছিংগাপুৰ কৰ্তৃপক্ষৰ পৰা কালি জুবিন গাৰ্গৰ মৰনোত্তৰ পৰীক্ষাৰ বিস্তৃত প্ৰতিবেদন লাভ কৰিছে বুলি প্ৰকাশ কৰে। ড° শৰ্মাই কয়, যে মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ লগতে ছিংগাপুৰ কৰ্তৃপক্ষই শিল্পীগৰাকীৰ টক্সিক'লজি প্ৰতিবেদনো প্ৰেৰণ কৰিছে।

***(বাইট ঃ মুখ্যমন্ত্ৰী)***

জুবিন গাৰ্গৰ যোৱা ১৯ ছেপ্তেম্বৰত ছিংগাপুৰত ৰহস্যজনক মৃত্যুৰ পাছত ছিংগাপুৰৰ চিকিৎসালয়তে প্ৰথমটো মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰা হৈছিল। ইয়াৰ পাছত ২৩ ছেপ্তেম্বৰত তেওঁৰ অন্ত্যেস্তিক্ৰিয়াৰ পূৰ্বে পুনৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৰণোত্তৰ পৰীক্ষা কৰা হয়।

0000000

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক তথা বিক্ৰেতা সন্থাৰ উদ্যোগত লখিমপুৰ কমাৰ্চ কলেজৰ স্পোৰ্টছ কমপ্লেক্সত ভাষা সাহিত্য সংস্কৃতিৰ এলানি আকৰ্ষণীয় কাৰ্যসূচীৰে আজিৰে পৰা ১০ দিনীয়াকৈ অসম গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। আজি বিয়লি শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰনোজ পেগুৱে গ্ৰন্থমেলাখন উদ্বোধন কৰিব। পশ্চিমবংগৰ বিশিষ্ট সাহিত্যিক বিনোদ ঘোষাল বিশেষ অতিথিৰূপে উপস্থিত থাকিব। উদ্বোধনী সভাত বিধায়ক মানৱ ডেকা, মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° অৰূপজ্যোতি চৌধুৰী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিভাস চৌধুৰী আৰু লখিমপুৰৰ জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতি উপস্থিত থাকিব। গ্ৰন্থমেলাৰ দিনকেইটাত ভাষা সাহিত্য, সংস্কৃতি, ইতিহাস আদি ভিন্ন বিষয় সামৰি আলোচনাচক্ৰ অনুষ্ঠিত হ'ব।

0000000

ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত কালি চৌকিডিংগী খেলপথাৰত সাংসদ খেল মহোৎসৱৰ শুভাৰম্ভ কৰা হয়। ডিব্ৰুগড় লোকসভাৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই মহোৎসৱৰ শুভাৰম্ভ কৰে। ডিব্ৰুগড় ক্ৰীড়া সন্থাৰ সভাপতি নিৰঞ্জন শইকীয়াৰ পৌৰাহিত্যত অনুষ্ঠিত শুভাৰম্ভণি অনুষ্ঠানত অসম চৰকাৰৰ

কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকন, বিধায়ক চক্ৰধৰ গগৈ, তেৰশ গোৱালা, সুৰেন ফুকন, সঞ্জয় ফুকন, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ চৈকত পাত্ৰ, উপ মেয়ৰ উজ্জ্বল ফুকন আৰু ভাৰতীয় জনতা পাৰ্টীৰ বহু সংখ্যক বিষয়ববীয়া তথা কৰ্মীসকল উপস্থিত থাকে।

০০০০০০০

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক নগেন শইকীয়াক আজি অসম সাহিত্য সভাৰ সদসি বৰণ্যেঃ সন্মান প্ৰদান কৰিব। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ পৌৰাহিত্যত হ'বলগীয়া এই অনুষ্ঠানত ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ ৰামেশ্বৰ লাল চহৰীয়া সংহতি ভৱনত অধ্যাপক নগেন শইকীয়া প্ৰবোধ্য সন্মান সদসি বৰণ্যেঃ প্ৰদান কৰিব। অসম সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়, ডিব্ৰুগড় জিলা সাহিত্য সভা আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সহযোগত হ'বলগীয়া অনুষ্ঠানটোত ড° বসন্ত কুমাৰ গোস্বামী, ড° সমুদ্ৰ গুপ্ত কাশ্যপ, ড° পীতাম্বৰ দেৱ গোস্বামী, ড° জিতেন হাজৰিকা, ড° আজিমা ঝা, ড° জ্যোতি প্ৰসাদ শইকীয়া, ড° অৰূপজ্যোতি চৌধুৰী, ড° মহাদেৱ পাটগিৰি, ড° অজন্তা বৰগোহাঞি ৰাজকোঁৱৰ, ড° জিৎ সিংহানিয়া, ড° হিতেশ ডেকা, ড° নীৰোদ কুমাৰ বৰুৱাকে ধৰি বহুকেইগৰাকী গণ্যমান্য ব্যক্তিৰ উপস্থিতিত স্বনামধন্য সাহিত্যিকগৰাকীলৈ এই বিৰল সন্মান আগবঢ়োৱা হ'ব।

০০০০০০০

যোৰহাটাৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে মিজোৰামৰ বিভিন্ন সেৱাৰ বিষয়াৰ বাবে বাঁহ ভিত্তিক প্ৰশিক্ষণ কাৰ্যসূচীৰ কালি সামৰণি পৰে। বৰ্ষাৰণ্য প্ৰতিষ্ঠানৰ অন্তৰ্গত মিজোৰামৰ আইজলত থকা বাঁহ আৰু বেত গৱেষণা কেন্দ্ৰত ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱবৰ্তন মন্ত্ৰালয়ৰ অৰ্থ সহযোগত আয়োজন কৰা এই প্ৰশিক্ষণত মিজোৰাম চৰকাৰৰ বিভিন্ন বিভাগ যেনে, কৃষি উদ্যান শস্য, পৰ্যটন, পশুপালন আৰু পশু চিকিৎসা, মাটি আৰু পানী সংৰক্ষণ, পৰিকল্পনা, বাঁহ উন্নয়ন সংস্থা, ঔষধ আৰু উদ্ভিদ বোৰ্ড, শিক্ষা বিভাগ, প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ আদি বিভাগৰ ৩০ গৰাকী বিষয়া পৰ্যায়ৰ প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

০০০০০০০

**সমাপ্ত**